৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

২ ব'হাগ, ১৯৪৮ শক ■ দেওবাৰ, ২৬ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, April 26, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

ৰঙিয়া



ধুমুহা

ৱা

ইকীয়া

ল'গ

পনা কৰাৰ
হকৰ্মী তথা
ৰিবৰ বাবে
ত অন্যতম
পক ধীৰেন
ান বিভাগৰ
ীৰ অধ্যয়ন
ক ব্যক্তিত্বই
প্ৰত্যক্ষভাৱে
কথা পতাৰ
গ পোৱাও
াঁ, তেখেতৰ
ছিলোঁ। প্ৰথম
তবাচক আৰু
িচৰণ কৰাত
জন ব'ৱলচৰ

বৰদৈ



ডিব্ৰুগড় জিলাৰ বুৰঞ্জী প্ৰণয়নৰ বাবে আলোচনা

## আকৌ ইতিহাস সংকলনৰ নেতৃত্বত ড° শশীকান্ত শইকীয়া

ষ্টাফ ৰিপ'ৰ্টাৰ ২৫ এপ্ৰিল ঃ ইতিহাস অধ্যয়নে এটা জাতিক শক্তিশালী কৰে। অতীত অধ্যয়ন অবিহনে কেতিয়াও ভৱিষ্যত সুন্দৰ নহয়। ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰে এইদৰে কয়। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ৮ পৃষ্ঠাত

প্ৰতিবেদক, আমগুৰি, ২৫ এপ্ৰিল ঃ আহোম স্বৰ্গদেউ শিৱ সিংহৰ ভাৰ্যা বৰৰাণী ফুলেশ্বৰী কুঁৱৰীৰ আমোলত নিৰ্মিত, শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ ঐতিহাসিক দেৱীদৌলৰ ৩০০ বছৰীয়া গৌৰৱময় স্থাপত্য ৮ পৃষ্ঠাত

## জালনোট নি থাকোঁতেই ধৃত কুখ্যাত ড্ৰাগ্‌ছ মাফিয়া

প্ৰতিবেদক, বৰপেটাৰোড, ২৫ এপ্ৰিল ঃ নামনি অসমত ড্ৰাগ্‌ছৰ বিৰুদ্ধে চলি থকা আৰক্ষীৰ তীব্ৰ অভিযানৰ মাজতে বৰপেটা ৰোডত এক বৃহৎ সফলতা অৰ্জন কৰিছে আৰক্ষীয়ে। চহৰখনৰ মানসপুৰ অঞ্চলৰ পৰা ৮ পৃষ্ঠাত

## পইচ

বিশেষ প্ৰতিবেদ
এগৰাকী দুৰ্নীতিগ্ৰ
মৰাণবাসী হতভ
এপ্ৰিলত মৰাণৰ এ
আঙঠি চোৰ কৰি
বিষয়াগৰাকীৰ বি

নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবত বি

## সংৰক্ষণ বিলৰ স্থিতা



